### নগাঁৱৰ নিৰুদ্দিষ্ট যুৱতীৰ উদ্ধাৰ অভিযান

## দিল্লীৰ দুই মানৱ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**প্ৰতিদিন সংবাদ, নতুন দিল্লী, ২৭ মে' ঃ** নগাঁৱৰ পৰা নিৰুদ্দেশ হোৱা যুৱতী উদ্ধাৰ কৰিবলৈ চলোৱা অভিযানত অসম আৰু দিল্লী আৰক্ষীৰ হাতত পৰিছে দিল্লী-হাৰিয়ানা সীমান্তৰ পৰা চলা মানৱ সৰবৰাহকাৰীৰ গোপন চক্ৰৰ বহু তথ্য। যোৱা ২৬ এপ্ৰিলত পৰীক্ষা দিবলৈ গৈ অসমৰ নগাঁও জিলাৰ পৰা সন্ধানহীন হোৱা এগৰাকী যুৱতীৰ সন্ধান কৰিবলৈ গৈ আৰক্ষী আৰু শক্তিবাহিনী নামৰ বেচৰকাৰী সংগঠন এটাই চলোৱা অভিযানত এই চক্ৰটোৰ কাম-কাজৰ বহু তথ্য উদ্ধাৰ হৈছে। ইতিমধ্যে যোৱা ২৪ মে'ত যুৱতীগৰাকী সোঁশৰীৰে অসমত উপস্থিত হৈছে আৰু আৰক্ষীয়ে আলতাফ ওৰফে ৰাজু তথা ৰামকেশ নামৰ মানৱ সৰবৰাহৰ সৈতে জড়িত দিল্লীৰ দুজন দালালক এই ঘটনাত গ্ৰেপ্তাৰ কৰিছে। তদুপৰি দিল্লী-হাৰিয়ানা সীমান্তৰ সুনীল আৰু পায়ল নামৰ দুজন অভিযুক্তই ইয়াৰ সৈতে জড়িত থকাৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে। কিন্তু এতিয়ালৈকে পলাতক হৈ আছে এই দুই অভিযুক্ত। এই সুনীল আৰু পায়লৰ ঘৰৰ পৰা আৰক্ষীয়ে অসমৰ যুৱতীগৰাকীৰ ম'বাইল ফোন উদ্ধাৰ কৰিছে। অভিযানৰ সময়ত আৰক্ষী আৰু বেচৰকাৰী সংগঠনটোৱে হাৰিয়ানাত বলপূৰ্বকভাৱে বিবাহ কৰোৱা ঝাৰখণ্ড আৰু বেংগালুৰুৰ দুগৰাকী যুৱতীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। শক্তিবাহিনীৰ ঋষিকান্তে জানিবলৈ দিয়া অনুসৰি এই চক্ৰটোৱে অসম আৰক্ষীৰ দল দিল্লীলৈ অহাৰ আগতীয়া তথ্য লাভ কৰাৰ ফলত যুৱতীগৰাকীক প্ৰথমে ৰাজস্থানলৈ পঠায় আৰু তাৰ পিচত যুৱতীগৰাকীক অসমলৈ প্ৰেৰণ কৰে। সেয়েহে নিৰুদ্দিষ্ট যুৱতীগৰাকী নিজ ঘৰত উপস্থিত হ'বলৈ সক্ষম হয় বুলি তেওঁ কয়। তেওঁ লগতে কয় যে এই চক্ৰটো যুৱতী সৰবৰাহৰ অধিক ঘটনাত জড়িত থকাৰ সন্দেহ কৰা হৈছে আৰু তেওঁলোকক গ্ৰেপ্তাৰ কৰিলে এই বিষয়ে অধিক কথা পোহৰলৈ আহিব।

## এ টি এমত দুৰ্বৃত্তৰ তাণ্ডৱ

**প্ৰতিদিন বিশেষ সংবাদ, বাইহাটা চাৰিআলি, ২৭ মে' ঃ** বাইহাটা চাৰিআলিৰ বৰোদা বেংক শাখাৰ এ টি এমত কালি নিশা দুৰ্বৃত্তই তাণ্ডৱ চলোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰামতে আজি পুৱা বাইহাটা চাৰিআলি ক্ষুদ্ৰ পলহাস্থিত বেংক অব্ বৰোদা শাখাৰ এ টি এমৰ চাটাৰৰ তলা ভঙা আৰু এফালে চাটাৰ কিছু ওপৰলৈ উঠি থকা প্ৰত্যক্ষ কৰি চকীদাৰে শাখা প্ৰবন্ধকক অৱগত কৰে। পিচত প্ৰবন্ধক, বিষয়া আদিয়ে বাইহাটা চাৰিআলিৰ আৰক্ষীৰ উপস্থিতিত এ টি এমৰ ভিতৰত সোমায় আৰু দুৰ্বৃত্তই এ টি এমৰ পিচফালৰ লিংক তাঁৰ ছিঙাৰ লগতে এম চি বিৰ ছুইচ অফ্ কৰি থোৱা দেখা পায়। অৱশ্যে দুৰ্বৃত্তই এ টি এমটোৰ ক্ষতিসাধন কৰিব নোৱাৰিলে।

### বাক্সাত বিধ্বস্ত গড়কাপ্তানি পথেৰে দুৰ্বিষহ যাতায়াত ৰাইজৰ

# জৰাজীৰ্ণ কাঠৰ দলঙে উদঙাইছে উন্নয়নৰ স্বৰূপ

**প্ৰতিদিন বিশেষ সংবাদ, বৰিমাখা, ২৭ মে' ঃ** ৰাজ্যৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰে এটা বছৰ সম্পূৰ্ণ কৰিলে যদিও বাক্সা জিলাত উন্নয়নৰ কোনো চিন পৰিলক্ষিত নহ'ল। জিলাখনৰ গড়কাপ্তানি পথসমূহত থকা জৰাজীৰ্ণ-কাঠৰ দলংসমূহে উদঙাইছে উন্নয়নৰ প্ৰকৃত প্ৰতিচ্ছবি। ৰাইজে পৰিবৰ্তনৰ আশাৰে বিজেপি নেতৃত্বাধীন চৰকাৰৰ মিত্ৰদল বি পি এফৰ প্ৰাৰ্থীক নিৰ্বাচনত জয়যুক্ত কৰাইছিল যদিও বাস্তৱ ক্ষেত্ৰত ৰাইজৰ আশা পূৰণ কৰাত তেওঁ ব্যৰ্থ হোৱাহে দেখা গ'ল। বাক্সা জিলাৰ গোৱালবিল-আঠিয়াবাৰী গড়কাপ্তানি পথত নখন, আনন্দপুৰ-জাৰিপাৰ গড়কাপ্তানি পথত দুখন, মুছলপুৰ-থমনাগড় গড়কাপ্তানি পথত দুখন, বৰশিমলুগুৰি-ধমধমা গড়কাপ্তানি পথত তিনিখন, শিংৰাপাৰা হৈ বৰমা পথত তিনিখন, ঐতিহাসিক গোহাঁইকমল পথত দুখন, গেৰুৱা-বাগানপাৰা পথত দুখন, থালকুছি-বাগানপাৰা পথত এখন, বৰশিমলুগুৰি-খৈৰাবাৰী পথত এখন, দীঘলদঙা-সুৰণশ্ৰী পথত তিনিখন, নাৰায়ণপুৰ-দুমুনী পথত দুখন কাঠৰ দলঙকে ধৰি অৰ্ধশতাধিক জৰাজীৰ্ণ কাঠৰ দলং আছে। কাঠৰ দলংসমূহ মেৰামতিৰ অভাৱত মৰণফান্দত পৰিণত হৈছে। ঠায়ে ঠায়ে দলসমূহৰ কাঠসমূহ ভাগি-ছিগি যোৱাৰ বাবে যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। আনন্দপুৰ-জাৰিপাৰ পথৰ আনন্দপুৰত থকা কাঠৰ দলংখন সম্পূৰ্ণৰূপে জহি-খহি যোৱাত পথটোৰে যাতায়াত ব্যাহত হৈ পৰিছে। সেইদৰে গোৱালবিল-আঠিয়াবাৰী পথৰ লক্ষীপাৰ, দেৰচাৰা আৰু পলোকাটাত থকা কাঠৰ দলংকেইখনেৰে এতিয়া ৰাইজে বিপদসংকুলভাৱে যাতায়াত অব্যাহত আছে। ইতিমধ্যে এই দলকেইখনৰ পৰা পৰি কেইবাজনো ব্যক্তি আহত হৈ চিকিৎসাধীন হ'বলগাও হৈছে। স্থানীয় ৰাইজে জৰাজীৰ্ণ কাঠৰ দলংসমূহ মেৰামতিৰ বাবে বিভাগীয় কৰ্তৃপক্ষ তথা জনপ্ৰতিনিধিক বাৰম্বাৰ আবেদন জনাই আহিছে যদিও কোনো সুফল পোৱা নাই। জানিব পৰামতে গড়কাপ্তানি বিভাগে কাঠৰ দলংসমূহ পুনৰ নিৰ্মাণৰ জৰীপ কৰিছিল যদিও আজি এবছৰ সম্পূৰ্ণ হোৱাৰ পিচতো কোনো কাম-কাজ কৰা পৰিলক্ষিত হোৱা নাই। ইফালে সাফল্যৰ জয়ঢোল বজাই মিত্ৰজোঁটৰ চৰকাৰখনে এটা বছৰ পূৰ্তিৰ বাবে চলাইছে মহা আয়োজন। কিন্তু বাক্সা জিলাত ইয়াৰ কোনো প্ৰভাৱ পৰিলক্ষিত হোৱা নাই।



### 'অসমীয়া প্ৰতিদিন'ৰ বাতৰিৰ প্ৰভাৱ

## নলবাৰী-বাক্সাৰ বিতৰ্কিত শিক্ষা বিষয়াক বদলি

**প্ৰতিদিন সেৱা, বাঁহজানী, ২৭ মে' ঃ** বিভিন্ন দুৰ্নীতি, অনিয়মত সাঙোৰ খাই তীব্ৰ বিতৰ্কৰ আৱৰ্তত সোমাই পৰা নলবাৰী-বাক্সা জিলাৰ দুই শিক্ষা বিষয়াক অৱশেষত শিক্ষা বিভাগে বদলি কৰাৰ পিচত জিলা দুখনৰ ভুক্তভোগী শিক্ষক-কৰ্মচাৰীসকল উৎসাহী হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে নলবাৰী জিলাৰ পৰিমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰমেশ চন্দ্ৰ চুতীয়া আৰু বাক্সা জিলাৰ পৰিমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোৎস্নাৰাণী বৰ্মনক বদলি কৰে শিক্ষা বিভাগে। উল্লেখ্য যে মাধ্যমিক শিক্ষা বিভাগৰ আয়ুক্ত-সচিবৰ চিঠিৰ মেম' নম্বৰ এ এছ ই ২০৮/২০০৮/১৩০-০ যোগে ২০ মে'ৰ দিনা উক্ত বিষয়া দুগৰাকীসহ মুঠ সাতগৰাকী বিষয়াৰ বদলিকৰণৰ নিৰ্দেশনা প্ৰকাশ পায়। সেইমৰ্মে নলবাৰীৰ শিক্ষা বিষয়া ড° ৰমেশ চন্দ্ৰ চুতীয়াক নলবাৰীৰ পৰা বঙাইগাঁৱলৈ আৰু বাক্সাৰ শিক্ষা বিষয়া জ্যোৎস্নাৰাণী বৰ্মনক বৰপেটা জিলালৈ বদলি কৰা হয়। উল্লেখ্য যে জিলা দুখনৰ এই দুগৰাকী শিক্ষা বিষয়াৰ কাৰ্যালয়ত বিভিন্ন দুৰ্নীতি, অনিয়ম হোৱাৰ অভিযোগ উত্থাপন হৈছিল। 'অসমীয়া প্ৰতিদিন'ত এই সন্দৰ্ভত সবিস্তাৰে বাতৰি প্ৰকাশ পোৱাৰ পিচতে জিলা দুখনৰ বিভিন্ন মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। এনে বাতৰিৰ প্ৰভাৱৰ ফলতে দুৰ্নীতিগ্ৰস্ত শিক্ষা বিষয়া দুগৰাকীক শিক্ষা বিভাগে বদলি কৰা বুলি জানিব পৰা গৈছে।

### বাক্সাত যৌতুক বিচাৰি পত্নীক নিৰ্যাতন

## আৰক্ষী স্বামীৰ বিৰুদ্ধে মুছলপুৰ থানাত এজাহাৰ পত্নীৰ

**প্ৰতিদিন বিশেষ সংবাদ, বৰিমাখা, ২৭ মে' ঃ** অসম আৰক্ষীৰ বৰঝাৰত থকা প্ৰথম বিশেষ সংৰক্ষিত বাহিনীৰ এজন জোৱানে যৌতুক বিচাৰি পত্নীক শাৰীৰিক নিৰ্যাতন চলোৱা ঘটনা পোহৰলৈ অহাত বাক্সাৰ বেন্নাবাৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত নিৰ্যাতিত মহিলাগৰাকীয়ে ন্যায় বিচাৰি মুছলপুৰ থানাত স্বামীৰ বিৰুদ্ধে আজি এখন এজাহাৰ দাখিল কৰিছে। জানিব পৰামতে বাক্সা জিলাৰ মুছলপুৰ থানাৰ অন্তৰ্গত বেন্নাবাৰী গাঁৱৰ অসম আৰক্ষীৰ প্ৰথম বিশেষ সংৰক্ষিত বাহিনীৰ জোৱান আলাউদ্দিন আহমেদে বিগত পঁচিশ বছৰ ধৰি প্ৰথমা পত্নী হাছনা চুলতানাক যৌতুক বিচাৰি শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাই আহিছে। আৰক্ষী স্বামীৰ নিৰ্যাতন সহ্য কৰিব নোৱাৰি হাছনাই বিগত সময়ছোৱাত পিতৃগৃহৰ পৰা আঠ লাখ টকা আনি দিছিল। কিন্তু পৰৱৰ্তী সময়ত পুনৰ আলাউদ্দিনে পত্নীক গুৱাহাটীত মাটি কিনাৰ বাবে পিতৃগৃহৰ পৰা টকা আনিবলৈ জোৰ দিয়াৰ লগতে নিৰ্যাতন চলায়। ইফালে আলাউদ্দিনে পত্নী হাছনা থকাৰ পিচতো দ্বিতীয় এগৰাকী যুৱতীক বিয়া কৰায়। বেন্নাবাৰী গাঁৱৰ ৰাইজে জানিবলৈ দিয়ামতে মাতাল আলাউদ্দিনে প্ৰায়ে প্ৰথমা পত্নীৰ ওপৰত শাৰীৰিক নিৰ্যাতন চলাই আহিছিল। অভিযুক্ত আলাউদ্দিনে প্ৰথমা পত্নীক পূৰ্বে ঘৰৰ পৰাও উলিয়াই দিছিল যদিও পুনৰ তেওঁ স্বামীগৃহলৈ উভতি আহে। কিন্তু পুনৰ যৌতুক বিচাৰি পুত্ৰৰ সন্মুখতে হাছনাক অত্যাচাৰ চলোৱাত আজি স্বামী আলাউদ্দিনৰ বিৰুদ্ধে মুছলপুৰ থানাত এখন এজাহাৰ দাখিল কৰে।

## জটিল ৰোগত আক্ৰান্ত গীতাঞ্জলি দাস ঃ চিকিৎসা সাহায্য আহ্বান

**প্ৰতিদিন বিশেষ সেৱা, বঙাইগাঁও, ২৭ মে' ঃ** জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যুৰে যুঁজি থকা বঙাইগাঁৱৰ চিলাৰায় সাপ্তাহিক বজাৰৰ সমীপৰ বাসিন্দা গীতাঞ্জলি দাস(২৭)ক সহায়ৰ হাত আগবঢ়াবলৈ ৰাইজক আহ্বান জনাইছে স্বেচ্ছাসেৱী সংগঠন সমৃদ্ধিয়ে। উল্লেখযোগ্য যে স্বামীৰ দ্বাৰা প্ৰতাৰিত হোৱাৰ পিচত জটিল ৰোগত আক্ৰান্ত হৈ পৰে মহিলাগৰাকী। মৃত্যুৰ ক্ষণ গণি থকা গীতাঞ্জলিয়ে ইতিমধ্যে ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি ডেৰমহীয়া কন্যা ভায়োলিনাকো আনৰ হাতত গতাই দিছে। গীতাঞ্জলি দাসৰ এই মৰ্মান্তিক কাহিনী 'অসমীয়া প্ৰতিদিন'ত যোৱা ২৫ এপ্ৰিলতে প্ৰকাশ পাইছিল। ইয়াৰ পিচতে যোৱা ২৫ মে'ত একাংশ সংবাদকৰ্মী আৰু স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰেৰণাই মহিলাগৰাকীক চিকিৎসাৰ বাবে উত্তৰ বঙাইগাঁওস্থিত স্বাগত হাস্পতালত ভৰ্তি কৰায়। সম্প্ৰতি অকলশৰীয়া মহিলাগৰাকীৰ চিকিৎসাৰ বাবে বুজন পৰিমাণৰ ধনৰ প্ৰয়োজন হৈছে। সেয়েহে দুৰ্ভগীয়া গীতাঞ্জলিক হৃদয়ৱান লোকৰ সহায়ৰ প্ৰয়োজন হৈছে। গীতাঞ্জলিক সহায় কৰিব বিচৰাসকলক তেওঁৰ নামত ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ বঙাইগাঁও শাখাত থকা ২০২৫০৭০৮০৯৬ (আই এফ এছ কোড SBI০০০১৬৯২৮) নম্বৰ একাউণ্টত ধন জমা দিবলৈ স্বেচ্ছাসেৱী সংগঠনটোৱে আহ্বান জনাইছে।

## বৰমাত চাফাই

**প্ৰতিদিন সেৱা, বৰমা, ২৭ মে' ঃ** বাক্সা জিলাৰ বৰমাৰ নিকটৱৰ্তী মেৰকুছিত ভাৰতীয় জনতা পাৰ্টিৰ বৰমা মণ্ডলৰ উদ্যোগত আৰু ১০৪ নং মেৰকুছি বুথৰ সহযোগত যোৱা ২৫ মে'ত এক স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচীৰ ৰূপায়ণ কৰে। উক্ত দিনা মেৰকুছি অঞ্চলৰ বাট-পথ, দোকান-ঘৰৰ আগফাল-পিচফাল, অফিচ-কাছাৰীকে ধৰি মানুহৰ ঘৰৰ পদূলি আদিও চাফ-চিকুণ কৰা হয়।

## মৰিয়নীত নতুন বস্তি স্থাপনৰ প্ৰস্তুতি নগাৰ ঃ দুটা বাসগৃহ উচ্ছেদ

### পুনৰ হাতত দা লৈ নগাক হুংকাৰ বিধায়ক কুৰ্মীৰ

**প্ৰতিদিন বিশেষ সংবাদ, মৰিয়নী, ২৭ মে' ঃ** যোৰহাট জিলাৰ মৰিয়নীৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলসমূহত নগাৰ আগ্ৰাসন অব্যাহত আছে। জিলাখনৰ সীমান্তৱৰ্তী অঞ্চলত থকা তিনিখন সংৰক্ষিত বনাঞ্চল ক্ৰমে দিচৈ, দিচৈ ভেলী আৰু তিৰু হিলছ সংৰক্ষিত বনাঞ্চলৰ অধিকাংশ মাটিয়েই নিজৰ দখললৈ নিলে নগাই। ইয়াৰ পিচতো অসম চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰাটো পৰিলক্ষিত হোৱা নাই। ইয়াৰ পূৰ্ণ সুযোগ লৈ অসমৰ মাটিত নগাই পুনৰ নতুন বস্তি স্থাপনৰ যো-জা চলাইছে। মৰিয়নীৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত আৰু নিউ সোণোৱাল খণ্ড বন বিষয়া কাৰ্যালয়ৰ এলেকাধীন দিচৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ এক বৃহৎ অংশ নগাই মুকলি কৰি খেতিবাতি আৰম্ভ কৰিছে। সমান্তৰালভাৱে তাত দুটাকৈ অস্থায়ী ঘৰ নিৰ্মাণ কৰিছে। নিউ সোণোৱাল বনগাঁৱৰ পৰা নাতিদূৰৈত নগাই বস্তি নিৰ্মাণৰ যো-জা চলাইছে। আজি মৰিয়নীৰ বনাঞ্চলিক বিষয়া ডিম্বেশ্বৰ ফুকন আৰু নিউ সোণোৱাল খণ্ড বন কাৰ্যালয়ৰ খণ্ড বন বিষয়া নৱজ্যোতি বৰাৰ নেতৃত্বত বন বিভাগ আৰু নিউ সোণোৱাল সীমান্ত নিৰীক্ষণ চকী (বি অ' পি)ৰ আৰক্ষী বেটেলিয়ন আৰু স্থানীয় ৰাইজৰ এটা দল উক্ত স্থানলৈ গৈ বেদখল প্ৰত্যক্ষ কৰাৰ লগতে নগাৰ বেদখল উচ্ছেদ কৰে। সেই সময়ত দুজন নগা ব্যক্তিক কাম কৰি থকা অৱস্থাত প্ৰত্যক্ষ কৰা হৈছিল। পিচত দুয়োকে সেই স্থানত ঘৰ নবনাবলৈ আৰু তাৰ পৰা যাবলৈ নিৰ্দেশ দিয়ে যদিও দুয়োকে আটক নকৰিলে। বন বিভাগে দুয়োটা ঘৰ উচ্ছেদ কৰে। মন কৰিবলগীয়া যে বেদখল কৰা স্থানৰ পৰা অসম-নাগালেণ্ড সীমান্তৱৰ্তী নিউ সোণোৱাল-খেৰেমীয়া- গাহৰিচোৰা গড়কাপ্তানি পথলৈ অহা-যোৱা কৰিবলৈ নগাই পূৰ্বৰ এটা লুংলুঙীয়া বাট সুন্দৰকৈ মোকলাই লৈছে। ইফালে বেদখলীকৃত স্থানত থকা নগা দুজনে নিজকে এলামি আৰু জাংবাং বুলি চিনাকি দিয়ে। দুয়ো ভিকট'ণ্ট নগা বস্তি নামৰ বস্তি এখনৰ পৰা অহা। দুয়োৱে স্পষ্টকৈ কয় যে নাগালেণ্ড ভিকট'ণ্ট নামৰ বস্তিৰ ভিলেজ কাউন্সিলৰ চেয়াৰমেনৰ নিৰ্দেশতেই হৈছে এই বেদখল আৰু খেতিবাতি। ইপিনে নগাৰ আগ্ৰাসনৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী। আজি নগাৰ বেদখল নিজ চকুৰে প্ৰত্যক্ষ কৰিবলৈ বিধায়কজনে হাতত এখন দা লৈ আগুৱাই যায় যদিও নিৰাপত্তাজনিত কাৰণতে আদবাটৰ পৰা তেওঁৰ ওভতাই পঠোৱা হয়। দুজন দেহৰক্ষীসহ দিচৈ ভেলী সংৰক্ষিত বনাঞ্চলৰ যথেষ্ট গভীৰলৈ সোমাই যায় বিধায়কজন। তেওঁ কয় যে নগাৰ আগ্ৰাসন ৰোধৰ বাবে বৰ্তমানৰ বিজেপি চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। এইক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰতি আহ্বান জনাইছে বিধায়কজনে।



## ভিডিঅ' এলবাম উন্মোচন

**প্ৰতিদিন সেৱা, বৰভাগ, ২৭ মে' ঃ** নলবাৰী জিলাৰ বাহাৰঘাটত অলপতে এটি গীতৰ ভিডিঅ' এলবাম 'টোপাল' উন্মোচন কৰে। স্থানীয় লহকৰপাৰা জনশিক্ষা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত নাট্যকাৰ ভাস্কৰজ্যোতি তালুকদাৰৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত জনশিক্ষা পুথিভঁৰালৰ সভাপতি ফৰচান আলী আহমেদে এলবামটো উন্মোচন কৰে। স্থানীয় পূৰ্ণ দৈচপৰা (লহকৰপাৰা) গাঁৱৰ দাদুল দত্ত লহকৰ (দাদু)ৰ কণ্ঠৰ উক্ত গীতৰ এলবামৰ গীতটোৰ ৰচনা আৰু সুৰ হৈছে জিণ্টু কুমাৰ লহকৰৰ। এলবামটোত অভিনয় কৰা শিল্পীসকল ক্ৰমে জিত, জানৱী, নিতুল, ঈষাণ, মিণ্টু, প্ৰীতি আদি।

### কাৰ্বি স্বায়ত্ত পৰিষদৰ নিৰ্বাচন

## বৰছিং ৰংপিৰ কংগ্ৰেছ ত্যাগ

**প্ৰতিদিন সংবাদ, ডিফু, ২৭ মে' ঃ** কাৰ্বি আংলং জিলা কংগ্ৰেছৰ সভাপতি তথা সাংসদ বীৰেনছিং ইংতিৰ নেতৃত্বৰ প্ৰতি ক্ষোভ উজাৰি দলটোৰ প্ৰাথমিক সদস্য পদ ত্যাগ কৰিছে কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য, দেওপানী মণ্ডল কংগ্ৰেছৰ সভাপতি বৰছিং ৰংপিয়ে। আজি জিলা কংগ্ৰেছৰ সভাপতিগৰাকীলৈ ৰংপিয়ে পদত্যাগপত্ৰ প্ৰেৰণ কৰি সভাপতিগৰাকীৰ নেতৃত্বৰ প্ৰতি তীব্ৰ ক্ষোভ উজাৰে। জিলা সভাপতিগৰাকীৰ প্ৰৱঞ্চনাৰ বলি হোৱা বুলি অভিযোগ উত্থাপন কৰি ৰংপিয়ে পদত্যাগ পত্ৰখনত উল্লেখ কৰে যে যিসময়ত বিজেপিৰ উত্থানে সৰ্বত্ৰ কংগ্ৰেছ দলৰ ভেটি দুৰ্বল কৰি তুলিছিল, তেনে সময়তে দেওপানী মণ্ডল কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি সমগ্ৰ অঞ্চলটোত দলটোক পুনৰ গঠন কৰাৰ উপৰি শক্তিশালী কৰি তোলাত তেওঁ গুৰুদায়িত্ব গ্ৰহণ কৰিছিল। এনে কাৰণতে জিলা সভাপতিগৰাকীয়ে সমাগত পৰিষদীয় নিৰ্বাচনত সমষ্টিটোৰ পৰা ৰংপিক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাৰ আশ্বাস প্ৰদান কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে কিন্তু শেষ মুহূৰ্তত তেওঁৰ প্ৰাৰ্থিত্ব নাকচ কৰি সমষ্টিটোৰ পৰা এলিছ টেৰণপিক প্ৰাৰ্থিত্ব প্ৰদান কৰা ঘটনাত নেতৃত্বৰ প্ৰতি বিশ্বাস ভংগ হৈ তেওঁ পদত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। জিলা সভাপতিগৰাকীয়ে তেওঁক চৰমভাৱে প্ৰৱঞ্চনা কৰা বুলি উল্লেখ কৰি এই কাৰ্যক তেওঁ গৰিহণাও দিয়ে। উল্লেখৰ প্ৰয়োজন যে প্ৰদেশ কংগ্ৰেছে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰকাশ কৰা প্ৰাৰ্থী তালিকাত দেওপানী সমষ্টিৰ দলীয় প্ৰাৰ্থী হিচাপে বৰছিং ৰংপিৰ নাম সন্নিবিষ্ট কৰিছিল যদিও পিচত নাকচ কৰি আন এগৰাকীক সমষ্টিটোৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰা হয়। ৰংপিয়ে সমষ্টিটোৰ বাবে কংগ্ৰেছে প্ৰক্ষেপ কৰা এলিচ টেৰণপিৰ প্ৰাৰ্থিত্বৰ বিৰোধিতা কৰি প্ৰাৰ্থীগৰাকীক এগৰাকী দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ বুলি অভিহিত কৰে। জানিব পৰা অনুসৰি দলত্যাগ কৰি ৰংপিয়ে সমষ্টিটোৰ পৰা অসম গণ পৰিষদে প্ৰাৰ্থিত্ব প্ৰদান কৰা প্ৰাৰ্থীগৰাকীক সমৰ্থন জনাব। অহা ৪ জুনত কেইবাশ সমৰ্থকসহ ৰংপিয়ে অগপত যোগদানৰ সম্ভাৱনা আছে।

## কমলপুৰৰ পৰা অপহৃত ব্যক্তিক গোৰেশ্বৰত উদ্ধাৰ

**প্ৰতিদিন সেৱা, গোৰেশ্বৰ, ২৭ মে' ঃ** কমলপুৰৰ ক'লাজল চ'ক বজাৰৰ পৰা এহাল দম্পতীয়ে গাড়ীচালক আৰু আন এজন ব্যক্তিৰ সহযোগত কমলপুৰৰ খৰিকটা গাঁৱৰ মঞ্জুল দেৱান নামৰ লোকজনক বলপূৰ্বক হৰদত্ত-বীৰদত্ত গড়কাপ্তানি পথেৰে বাঙালীপাৰা অভিমুখে আনি থকা অৱস্থাত গোৰেশ্বৰৰ ভোগপুৰত কৌশলেৰে গাড়ীৰ পৰা পলায়ন কৰি আৰক্ষীৰ সহায় লোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইপিনে মঞ্জুল দেৱানৰ অভিযোগৰ ভিত্তিত গোৰেশ্বৰ আৰক্ষীয়ে এ এছ-০১/০৪৩৪ নম্বৰৰ অল্ট' গাড়ীসহ সুৱাগপুৰৰ তাইজুদ্দিন আলী, তেওঁৰ পত্নী পৰিনাচা বিবি আৰু গাড়ীচালক বিপুল আলীক আটক কৰে। অপহৃত মঞ্জুল দেৱানৰ অভিযোগমতে তেওঁৰ এ এছ-০১/এ ৱাই-৫৯২৮ নম্বৰৰ বাইকখনো অপহৰণকাৰীৰ দলটোৰ আন এজন সদস্যই লৈ যায়। জানিব পৰামতে মাটি কিনা-বেচা সংক্ৰান্তত অপহৃত লোকজনৰ লগত অপহৰণকাৰীৰ দলটোৰ সুসম্পৰ্ক আছিল। ধনৰ লেনদেনৰ বাবেই এই অপহৰণ কাণ্ড সংঘটিত হোৱা বুলি জানিব পৰা গৈছে।

### মৰিগাঁৱৰ চৰাইবাহীত শোকাৱহ ঘটনা

## ককায়েকৰ দহাৰ দিনাই ভাতৃৰ কৰুণ মৃত্যু

**প্ৰতিদিন সংবাদ, মৰিগাঁও, ২৭ মে' ঃ** মৰিগাঁও জিলাৰ বৰভগীয়া গাঁৱত জ্যেষ্ঠ ভাতৃৰ মৃত্যুৰ নিয়ম-নীতি পালন কৰিবলৈ যাওঁতে কনিষ্ঠ ভাতৃৰো কৰুণ মৃত্যু হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৰিগাঁও জিলাৰ কাছধৰা বিলত ডুবি আজি পুৱাভাগত কৰুণ মৃত্যুক সাবটি লোৱা ব্যক্তিজন হৈছে বৰভগীয়া গাঁৱৰ দীপক কুমাৰ নাথ (৪৭)। ঘটনাৰ বিৱৰণী অনুসৰি দীপক কুমাৰ নাথে আজি পুৱাভাগত দহ দিন পূৰ্বে মৃত্যু হোৱা জ্যেষ্ঠ ভাতৃ বদন নাথৰ দহদিনীয়া ক্ৰিয়াকৰ্ম সমাপনৰ বাবে সমীপৰ কাছধৰা বিলৰ পাৰলৈ গৈছিল। যথাৰীতি অনুসৰি মৃতকৰ দহাৰ কৰ্ম সমাপন কৰি কাছধৰা বিলত গা ধুবলৈ গৈ সন্ধানহীন হয়। পিচত দীপকৰ মৃতদেহ নাতিদূৰৈৰ গভীৰ পানীত স্থানীয় ৰাইজে উদ্ধাৰ কৰে। স্থানীয় লোকৰ মতে গা ধুবলৈ দ পানীত ডুব যোৱাৰ ফলত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি সন্দেহ কৰিছে। জ্যেষ্ঠ ভাতৃৰ দহাৰ দিনাই কনিষ্ঠ ভাতৃৰ কৰুণ মৃত্যুৱে সমগ্ৰ বৰভগীয়া অঞ্চলত শোকৰ ছাঁ পেলাইছে। দুবছৰ পূৰ্বে পত্নীক হেৰুওৱা সৰবৰহী ব্যৱসায়ী তথা কৃষক দীপক কুমাৰ নাথে মৃত্যুৰ সময়ত এমা-ডিমা এক পুত্ৰ আৰু এগৰাকী কন্যাসহ ভালেমান আত্মীয়-স্বজন, গুণমুগ্ধক এৰি থৈ গৈছে।

## নগাঁৱত তিনি ড্ৰাগছ ব্যৱসায়ী গ্ৰেপ্তাৰ

### জ্বলালে নিচাযুক্ত ঔষধ

**প্ৰতিদিন সংবাদ, নগাঁও, ২৭ মে' ঃ** নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত বৰভেটিত আজি একাংশ পুৰুষ-মহিলা সংগঠিত হৈ বুজন পৰিমাণৰ নিচাযুক্ত ঔষধ জ্বলাই দিয়াৰ লগতে কেইবাটাও অবৈধ সুৰাৰ ঘাটি উচ্ছেদ কৰে। জানিব পৰামতে বৰভেটি অঞ্চলত জাকিৰ হুছেইন নামৰ এজন ড্ৰাগছ ব্যৱসায়ীয়ে বৰভেটিস্থ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গুদামঘৰৰ চৌহদত থকা কালভাৰ্ট নিৰ্মাণৰ বাবে ৰখা এটা ৰিঙত ড্ৰাগছজাতীয় সামগ্ৰী মজুত কৰি ড্ৰাগছ ব্যৱসায়ৰ বিশাল নেটৱৰ্ক গঢ়ি তুলিছিল। স্থানীয় ৰাইজে এই ড্ৰাগছৰ ঘাটিসমূহ উচ্ছেদ কৰাৰ বাবে নগাঁও আৰক্ষী প্ৰশাসনক বহুবাৰ আবেদন জনাইছিল যদিও কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। যাৰ বাবে আজি পুৱা একাংশ স্থানীয় মহিলাৰ নেতৃত্বত ৰাইজে কালভাৰ্টটোৰ ভিতৰত ৰখাই থোৱা ২৪ কাৰ্টন নিচাযুক্ত ঔষধ বাহিৰলৈ আনি জ্বলাই দিয়ে। উল্লেখ্য যে ড্ৰাগছ মাফিয়া জাকিৰ হুছেইনে পলাই যাবলৈ সক্ষম হয় যদিও ৰাইজে দেৰেন নাথ নামৰ এজন সুৰা ব্যৱসায়ীক আটক কৰি আৰক্ষীক গতাই দিয়ে। ইপিনে নগাঁও আৰক্ষীয়ে আজি অভিযান চলাই বৰভেটিৰ পৰা বাহাৰুল ইছলাম আৰু মকিবুৰ ৰহমান নামৰ দুই ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰে।

### গুৱাহাটীত উদ্ধাৰ মৰাণৰ দুই কিশোৰী

## চাকৰিৰ প্ৰলোভন দি লৈ গৈছিল ফেক্টৰীৰ কৰ্মচাৰীয়ে

**প্ৰতিদিন বিশেষ সেৱা, মৰাণ, ২৭ মে' ঃ** গুৱাহাটীত উদ্ধাৰ হোৱা মৰাণৰ দুই কিশোৰীক মৰাণৰ ঝলমত অৱস্থিত অনুপম টি ফেক্টৰীৰ এগৰাকী কৰ্মচাৰীয়ে আজিৰ পৰা এমাহ পূৰ্বে চাকৰিৰ প্ৰলোভন দি শিৱসাগৰলৈ নিয়া বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়ে। মৰাণৰ সমীপৰ ডোমৰদলং চাহ বাগিচাৰ ৬ নং লাইনৰ কিশোৰী দুগৰাকী দীৰ্ঘদিন ধৰি অনুপম টি ফেক্টৰী নামৰ প্ৰতিষ্ঠানটোত কাম কৰি আছিল। আজিৰ পৰা প্ৰায় এমাহ পূৰ্বে অনুপম টি ফেক্টৰীৰ কৰ্মচাৰী অজিত চাংমাই তেওঁলোকৰ ঘৰলৈ আহি ফেক্টৰীটোৰ মালিকৰ শিৱসাগৰস্থিত বাসগৃহত চাকৰি কৰিলে অধিক দৰমহা পাব বুলি প্ৰলোভন দি শিৱসাগৰলৈ লৈ গৈছিল কিশোৰী দুগৰাকীক। ইফালে পৰিয়ালৰ লোকে জনোৱামতে ফেক্টৰীটোৰ মালিকে কথা পাতিবলৈ পঠাইছে বুলি কৈ আজি কেইগৰাকীমান অচিন ব্যক্তি তেওঁলোকৰ ঘৰত উপস্থিত হয় যদিও তেওঁলোকে বিষয়টো সন্দৰ্ভত কোনোধৰণৰ আলোচনাই নকৰিলে। ঘটনাটোৰ খবৰ বিয়পি পৰাৰ লগে লগে সম্প্ৰতি বাগিচাখনত এক চেপা উত্তেজনাই বিৰাজ কৰিছে।

### কলিতা জনগোষ্ঠী সন্মিলন

## নাৰায়ণপুৰত আৰম্ভ মধ্যকালীন অধিৱেশন



**প্ৰতিদিন সেৱা, শিমলুগুৰি, ২৭ মে' ঃ** কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ ২৯ সংখ্যক মধ্যকালীন অধিৱেশন আৰু লখিমপুৰ জিলা সমিতিৰ অধিৱেশনখন আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে নাৰায়ণপুৰৰ জৰাবাৰী জ্যোতি সংগম প্ৰাংগণত বীৰ ৰজা ভগদত্ত ক্ষেত্ৰত অনুষ্ঠিত হৈছে। আজি পুৱা সালোক্য সেৱা কানন, অসমৰ দ্বাৰা পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ আৰু পতাকা উত্তোলন কৰাৰ পিচত স্মৃতি তৰ্পণ কৰে বিপুল ভূঞাই। জিলা সভাপতি প্ৰফুল্ল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভা উদ্বোধন কৰে বেণু হাজৰিকাই। দুপৰীয়া মূল সভা উদ্বোধন কৰে অধিবক্তা যজ্ঞেশ্বৰ শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে প্ৰাক্তন শিক্ষা মন্ত্ৰী প্ৰেমধৰ বৰা, বিশিষ্ট অতিথি হিচাপে খেৰাজখাত কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ অনিল কাকতী, সন্মানীয় অতিথি হিচাপে মাধৱদেৱ কলেজিয়েট উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ প্ৰফুল্ল বৰুৱা আৰু গোহাঁইকমল উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ হৰেন খাউণ্ডে ভাষণ দিয়ে। সভাৰ আঁত ধৰে আদৰণী সমিতিৰ সম্পাদক ৰাজেন্দ্ৰ প্ৰসাদ বৰুৱাই। প্ৰতিনিধি সভাত চন্দ্ৰনাথ শইকীয়াক সভাপতি, হৰকান্ত তামুলীক কাৰ্যকৰী সভাপতি, চিৰঞ্জীৱ দত্ত, বুলু ভূঞাক উপ-সভাপতি, ৰমানন্দ হাজৰিকাক সাধাৰণ সম্পাদক আৰু দীপান্ত কাকতীক সহঃ সম্পাদক হিচাপে লৈ লখিমপুৰ জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ নতুন সমিতিখন গঠন কৰা হয়।

## মাখিবাহাৰ বাট-পথ মেৰামতিৰ দাবী

### আছুৰ স্মাৰকপত্ৰ

**প্ৰতিদিন সেৱা, টিহু, ২৭ মে' ঃ** মাখিবাহা সংযোগী দুটা গড়কাপ্তানি পথৰ শীঘ্ৰে মেৰামতিৰ দাবীত যোৱা ১৭ মে'ত মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাই টিহু মহকুমাধিপতিৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে টিহু মহকুমাৰ ব্যস্ততাপূৰ্ণ পথসমূহৰ ভিতৰত অন্যতম টিহু-শোলমাৰা গড়কাপ্তানি পথৰ টিহুৰ পৰা মাখিবাহালৈ প্ৰায় তিনি কিলোমিটাৰ পথ আৰু টিহু-লচিমা (সৰ্থেবাৰী) গড়কাপ্তানি পথ সংযোগী কঠালমুৰাৰ পৰা মাখিবাহালৈ প্ৰায় দুই কিলোমিটাৰ পথ বহু বছৰ ধৰি মেৰামতি নকৰাৰ ফলত জহি-খহি গৈছে। পথছোৱাৰ ঠায়ে ঠায়ে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত গাড়ী-মটৰ, চাইকেল আৰু আনকি খোজকাঢ়িও যাতায়াত কৰিব নোৱৰা অৱস্থা হৈছে। আনকি দৈনিক বজাৰ-সমাৰ কৰা লোকৰ উপৰি স্কুলীয়া শিক্ষাৰ্থীসকলেও যাতায়াতৰ নামত জীয়াতু ভুগিবলগীয়া হৈছে। আনহাতে উক্ত পথ দুটা মেৰামতিৰ বাবে ইতিমধ্যে কেইবাবাৰো বিভাগক দাবী জনোৱাৰ উপৰি পথ অৱৰোধৰ দৰে কাৰ্যসূচীও গ্ৰহণ কৰিছিল ৰাইজে। ইয়াৰ পিচতো আজিলৈকে পথ দুটা মেৰামতি নকৰাত ক্ষোভ প্ৰকাশ কৰি যোৱা ১৭ মে'ত পুনৰবাৰ উক্ত পথ দুটা মেৰামতিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে গণতান্ত্ৰিকভাৱে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সন্থাৰ সভাপতি অনুপ হালৈ আৰু সম্পাদক ৰাকেশ হালৈ স্বাক্ষৰিত স্মাৰকপত্ৰযোগে সকীয়াই দিয়ে।

## মুগকুছিৰ দুই ব্যৱসায়ীৰ মৃত্যু

**প্ৰতিদিন সেৱা, বাঁহজানী, ২৭ মে' ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত মুগকুছি গাঁৱৰ দুগৰাকী ব্যৱসায়ী ক্ৰমে কনক বৈশ্য (৭০) আৰু নগেন্দ্ৰ হালৈ (৮৬)ৰ কালি নিশা নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। জনামতে মুগকুছি চ'কত ৩০ বছৰে চাহ হোটেলৰ ব্যৱসায় কৰি পৰিয়াল পোহপাল দিয়া কনক বৈশ্যই কালি নিশাৰ আহাৰ গ্ৰহণ কৰি শুই থাকে। পিচত পৰিয়ালৰ লোকে নিশা আঢ়ৈ বজাত ব্যৱসায়ীগৰাকীক বিছনাতে মৃত অৱস্থাত উদ্ধাৰ কৰাত হাহাকাৰ লাগে। উল্লেখ্য যে ব্যৱসায়ী বৈশ্য দীৰ্ঘদিন ধৰি শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়লৈ বৈশ্য বালা-মুগকুছি শংকৰদেৱ নামঘৰ, মুগকুছি চ'ক ব্যৱসায়ী সন্থাকে ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত আছিল। মৃত্যুৰ সময়ত বৈশ্যই পত্নী, দুই পুত্ৰ, তিনি জী-জোঁৱাইসহিতে অনেক গুণমুগ্ধক এৰি থৈ যায়। ব্যৱসায়ীজনৰ মৃত্যুত গভীৰ শ্ৰদ্ধা জনাই মুগকুছি চ'কৰ সমূহ ব্যৱসায়িক প্ৰতিষ্ঠান পুৱা পাঁচ বজাৰ পৰা সন্ধিয়া ছয় বজালৈ বন্ধ ৰখা হয়। ইফালে একে গাঁৱৰে কাঁহ-পিতলৰ সামগ্ৰীৰ ব্যৱসায়ী নগেন্দ্ৰ হালৈৰ বাৰ্ধক্যজনিত কাৰণত নিশা মৃত্যু হয়। সুদীৰ্ঘ ৪০ বছৰ ধৰি কাঁহ-পিতলৰ সামগ্ৰী ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰা হালৈয়ে অসুস্থতাৰ বাবে কিছু বছৰ পূৰ্বে উক্ত ব্যৱসায় এৰি ঘৰতে কিছু কাম-কাজত মনোনিৱেশ কৰিছিল। মৃত্যুৰ সময়ত হালৈয়ে পত্নী, পাঁচ পুত্ৰ, এগৰাকী কন্যাক এৰি থৈ যায়।

### বঙাইগাঁও শোধনাগাৰৰ অভিলাষী আঁচনি

## কাৰিকৰী শিক্ষাৰ বাবে দৰিদ্ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক বৃত্তি

**প্ৰতিদিন সেৱা, কাজলগাঁও, ২৭ মে' ঃ** বঙাইগাঁও শোধনাগাৰৰ উদ্যোগত ভাৰতীয় তেল নিগমে জ্ঞানোদয়া নামৰ এখন অভিলাষী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে কাৰিকৰী শিক্ষাগ্ৰহণৰ বাবে বঙাইগাঁও শোধনাগাৰ কৰ্তৃপক্ষৰ পৰা মাহিলি বৃত্তি লাভ কৰিব। এই আঁচনি সন্দৰ্ভত কালি শোধনাগাৰৰ প্ৰশাসনিক ভৱনৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। শোধনাগাৰৰ মুখ্য প্ৰবন্ধক নৱজ্যোতি দাসে আজি প্ৰেছ বিজ্ঞপ্তিযোগে এই তথ্য সদৰী কৰে। শোধনাগাৰৰ ভাৰপ্ৰাপ্ত মুখ্য মহাপ্ৰবন্ধক জি চি শিকদাৰ, মুখ্য মহাপ্ৰবন্ধক (টি এছ এফ এইচ এছ ই) এ কলিতা, ডি গগৈ (মুখ্য মহাপ্ৰবন্ধক কাৰিকৰী)ৰ সৈতে বঙাইগাঁও পলিটেকনিকৰ অধ্যক্ষ ড° মৃণালিনী দাস আৰু কোকৰাঝাৰৰ আই টি আইৰ অধ্যক্ষ ৰাজু গোপালে এখন সভাত মিলিত হয়। ভাৰতীয় তেল নিগমৰ অভিলাষী আঁচনিখনত কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানকেইখনৰ মুৰব্বী দুজনে সন্মতি প্ৰদান কৰি ২০১৭-১৮ শিক্ষাবৰ্ষৰ বাবে এই আঁচনিৰ শুভাৰম্ভ কৰে। ধনৰ অভাৱত কাৰিকৰী শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত মেধাৱী ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি শোধনাগাৰৰ বিষয়াসকলে মত প্ৰকাশ কৰাৰ লগতে আঁচনিখনৰ বিষয়ে দুখীয়া অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰচাৰ কৰাত গুৰুত্ব দিবলৈ আহ্বান জনায়।

## ছয়গাঁৱত স্বাস্থ্য শিবিৰ

**প্ৰতিদিন বিশেষ সংবাদ, ছয়গাঁও, ২৭ মে' ঃ** সৰ্বভাৰতীয় চৰ্ম-যৌন আৰু কুষ্ঠ ৰোগ সংস্থাৰ উত্তৰ-পূৰ্বাঞ্চলীয় শাখাৰ উদ্যোগত আৰু ছয়গাঁও ক্ৰীড়া সন্থাৰ সহযোগত আজি ছয়গাঁও মিনি ষ্টেডিয়াম প্ৰাংগণত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। এই উদ্দেশ্যে আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে ছয়গাঁও ক্ৰীড়া সন্থাৰ সম্পাদক মুকুট ঠাকুৰীয়াই আৰু ৰাইজৰ মাজত স্বাস্থ্য সজাগতা সন্দৰ্ভত ভাষণ প্ৰদান কৰে সৰ্বভাৰতীয় চৰ্ম-যৌন আৰু কুষ্ঠ ৰোগ সংস্থাৰ উত্তৰ-পূৰ্বাঞ্চলীয় শাখাৰ সভাপতি ডাঃ পংকজ অধিকাৰীয়ে। ইয়াৰ পিচতে অঞ্চলটোৰ বিভিন্ন স্থানৰ পৰা অহা চাৰি শতাধিক লোকৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ৰোগীক বিনামূলীয়াকৈ ঔষধ-পাতিও যোগান ধৰা হয়। আজিৰ এই স্বাস্থ্য পৰীক্ষা শিবিৰটোত সৰ্বভাৰতীয় চৰ্ম-যৌন আৰু কুষ্ঠ ৰোগ সংস্থাৰ উত্তৰ-পূৰ্বাঞ্চলীয় শাখাৰ সভাপতি ডাঃ পংকজ অধিকাৰীৰ লগতে ডাঃ অনলজ্যোতি বৰদলৈ, ডাঃ ৰশ্মি আগৰৱালা, ডাঃ চৌনাল আগৰৱালা, ডাঃ মেহেকসিং, ডাঃ অনন্যা কলিতা, ডাঃ তুতুল বাক্ৰা আৰু ডাঃ শুভদীপ দে'ই অংশগ্ৰহণ কৰে।